Imp
Unit-1

Q. Give a brief description about Anglicist-classicist Controversy. Give the views of Lord Macaulay to bring to an end to this controverersy.

⇒ 1813 চনৰ চাৰ্টাৰ আইনখনে ভাৰতৰ শিক্ষাৰ বুৰঞ্জীত এক নতুন যুগৰ সৃষ্টি কৰিলে। এই আইনখনৰ এটা দফাত উল্লেখ কৰা আছিল — "এতিয়াৰেপৰা প্ৰতি বছৰে ভাৰতীয় সাহিত্যৰ সম্প্ৰসাৰণৰ বাবে লগতে ভাৰতীয় শিক্ষিত লোকসকলক উৎসাহিত কৰিবৰ কাৰণে কোম্পানীয়ে কমেও এক লাখ টকা খৰচ কৰিব লাগিব।" কিন্তু এই টকা কেনেদৰে কি কিতাপত খৰচ কৰা হব তাৰ কোনো উল্লেখ নকৰিলে। ফলস্বৰূপে এই আইনখনক লৈ এক বাদ-বিতণ্ডাৰ সৃষ্টি হ'ল। অৰ্থাৎ 1813 চনত এই চনদৰ একলাখ টকাই এক সমস্যাৰ সৃষ্টি কৰিলে। শেষত এই সমস্যা সমাধানৰ অৰ্থে সেই সময়ৰ ভাৰতৰ গৱৰ্ণৰ জেনেৰেলে 1823 চনত দহজন সদস্যৰে "General comittee of public Instruction" নামৰ এখন কমিটি গঠন কৰি দিয়ে। প্ৰথম অৱস্থাত এই কমিটিখনে এক লাখ টকা প্ৰাচ্য শিক্ষা বিস্তাৰৰ বাবে খৰচ কৰিছিল। কিন্তু পিছলৈ এই কমিটিৰ সদস্য সকলৰ মাজত দুটা ভাগৰ সৃষ্টি হ'ল — এটা ভাগে অৰ্থাৎ পাঁচজনে প্ৰাচ্য শিক্ষাক সমৰ্থন কৰিলে আৰু তেওঁলোকক কোৱা হ'ল প্ৰাচ্যপন্থী আৰু আনটো ভাগে অৰ্থাৎ বাকী পাঁচজনে পাশ্চাত্য শিক্ষাক সমৰ্থন কৰিলে আৰু তেওঁলোকক কোৱা হ'ল পাশ্চাত্য পন্থী। এনেকৈয়ে 1813 চনৰ সনদে দিয়া একলাখ টকা লৈ এই কমিটিখনৰ মাজত এক বিবাদৰ সৃষ্টি হ'ল। এই বিবাদে ভাৰতৰ শিক্ষাৰ বুৰঞ্জীত প্ৰাচ্য-পাশ্চাত্য বিবাদৰ মাজত জন্মলাভ হ'ব পাৰিলে।

প্ৰাচ্য-পাশ্চাত্যৰ এই বিতৰ্কৰ দিশ সম্পৰ্কে মূলতো চাৰিটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি। যেনে — ① শিক্ষাৰ লক্ষ্য, ② শিক্ষাৰ মাধ্যম, ③ শিক্ষা বিস্তাৰৰ দায়িত্ব, ④ শিক্ষা পদ্ধতি।

① শিক্ষাৰ লক্ষ্য → 1813 চনৰ চনদত শিক্ষাৰ কোনো স্পষ্ট লক্ষ্য বা উদ্দেশ্য উল্লেখ নথকা বাবে এইলৈ তিনিটা মতৰ সৃষ্টি কৰিলে।

(ক) প্ৰথম দলৰমতে পুৰণি ভাৰতীয় সভ্যতা সংস্কৃতিৰ আৰু সম্প্ৰসাৰণ কৰাটোৱে ভাৰতবৰ্ষত শিক্ষাৰ লক্ষ্য হব লাগে।

(খ) দ্বিতীয় দলৰ মতে ইউৰোপৰ জ্ঞান-বিজ্ঞানৰ প্ৰয়োগৰ যোগেদি ভাৰতীয় সকলক আধুনিকীকৰণ কৰাটো শিক্ষাৰ লক্ষ্য হব লাগে।

(গ) তৃতীয় দলৰ মতে কোম্পানীৰ তলত চাকৰিৰ বাবে ভাৰতীয় সকলক উপযুক্ত কৰি তোলাটোৱেহে ভাৰতৰ শিক্ষাৰ লক্ষ্য হোৱা উচিত।

② শিক্ষাৰ মাধ্যম → শিক্ষাৰ মাধ্যমকলৈও তিনিটা মতৰ সৃষ্টি হৈছে —

(ক) ইয়াৰে প্ৰথমদলৰ মতে পুৰণি সভ্যতা-সংস্কৃতি সংৰক্ষণ কৰাটোৱে যদি ভাৰতত শিক্ষাৰ লক্ষ্য হয় তেন্তে পুৰণি ভাষা, যেনে — সংস্কৃত আৰু আৰবি ভাষাই ভাৰতত শিক্ষাৰ মাধ্যম হব লাগিব।

(খ) আনহাতে দ্বিতীয় দলৰ মতে পাশ্চাত্য জ্ঞান-বিজ্ঞান ভাৰতবৰ্ষত প্ৰৱৰ্তন কৰাটো যদি শিক্ষাৰ লক্ষ্য হয় তেনেহলে শিক্ষাৰ মাধ্যম হব লাগিব ইংৰাজী।

(গ) তৃতীয় দলে মত প্ৰকাশ কৰে যে আধুনিক ভাৰতীয়

ভাষা কি ভাৰতবৰ্ষৰ শিক্ষাৰ মাধ্যম হ'ব লাগে।

(৩) শিক্ষাৰ দায়িত্ব — শিক্ষাৰ দায়িত্ব কোনে লব বা শিক্ষা পৰিচালনা কোনে কৰিব সেইলৈও তিনিটা মতৰ সৃষ্টি হৈছে —

(ক) ইয়াৰে প্ৰথম দলৰ মতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ যিহেতু ভাৰতৰ শাসন কৰ্তা, গতিকে শিক্ষা পৰিচালনাৰ দায়িত্ব কোম্পানীয়ে বহন কৰিব লাগে।

(খ) আনহাতে দ্বিতীয় দলৰ মতে যিহেতু ভাৰতত খ্ৰীষ্টান মিচনেৰীসকলে ইতিমধ্যেই বহুত শিক্ষানুষ্ঠান স্থাপন কৰিছে সেয়ে তেওঁলোকৰ হাতত শিক্ষাৰ দায়িত্বও অৰ্পণ কৰিব লাগে।

(গ) তৃতীয় দলৰ মতে যিহেতু ভাৰতীয় সকলেহে শিক্ষা সংস্কৃতিৰ উত্তৰাধিকাৰী আৰু সেইবাবে তেওঁলোকক হে নিজ শিক্ষা পৰিচালনাৰ দায়িত্ব দিব লাগে।

(৪) শিক্ষাৰ পদ্ধতি → ভাৰতীয় লোকসকলক কি উপায়েৰে শিক্ষা দান কৰিব লাগে সেই লৈও দুটা মতৰ সৃষ্টি হৈছিল —

(ক) ইয়াৰে প্ৰথমদলৰ মতে যিহেতু ভাৰতৰ বেছিভাগ মানুহে অশিক্ষিত গতিকে সকলো লোকক একেই সময়তে শিক্ষাদান দিয়া সম্ভৱপৰ নহয়। গতিকে বাছি বাছি কিছুমান ভাৰতীয় লোকক হে প্ৰথমতে শিক্ষাদান কৰিব লাগে। তেওঁলোকে শিক্ষিত হৈ উঠি সৰ্বসাধাৰণ লোকৰ মাজেৰে হৈ শিক্ষা বিস্তাৰ কৰিব লাগে। (খ) দ্বিতীয় দলৰ মতে সকলো ভাৰতীয়ক সমানে শিক্ষাৰ সুবিধা দিব লাগিব অৰ্থাৎ অভ্যস্ত পদ্ধতিদ্বাৰা ভাৰতত শিক্ষা বিস্তাৰ হ'ব লাগিব।

(ঙ) এনেদৰে শিক্ষাৰ লক্ষ্য, শিক্ষাৰ মাধ্যম, শিক্ষা পৰিচালনা আৰু শিক্ষা পদ্ধতিক লৈ General Commitee of public Instruction ৰ সদস্য সকলৰ মাজত 12 বছৰ ধৰি মতানৈক্য চলি থাকিল। ঠিক এনে সময়তে 1834 চনত লৰ্ড মেকলে ভাৰতবৰ্ষলৈ আহে। আগমনৰ লগে লগে তেওঁক এই কমিটিখনৰ

সভাপতি হিচাপে নিযুক্তি দিয়া হয়। লৰ্ড মেকলেই সভাপতিৰ দায়িত্ব ভাৰ গ্ৰহণ কৰি প্ৰাচ্য-পাশ্চাত্যৰ প্ৰবিবাদৰ অন্ত পেলোৱাৰ উদ্দেশ্যে 1835 চনৰ ২ ফেব্ৰুৱাৰীৰ দিনা এখন প্ৰতিবেদন প্ৰকাশ কৰে। এই প্ৰতিবেদনখনক ভাৰতৰ শিক্ষাৰ বুৰঞ্জীত মেকলেৰ Minute নামেৰে জনাজাত। এই প্ৰতিবেদনখনত তেওঁ সম্পূৰ্ণৰূপে পাশ্চাত্য শিক্ষাক সমৰ্থন জনাইছিল। শিক্ষাৰ লক্ষ্য সম্পৰ্কে মতামত দিবলৈ গৈ লৰ্ড মেকলেই 1813 চনৰ চনদৰ 43 নং দফাৰ ব্যাখ্যা দাঙি ধৰে। তেওঁৰ মতে চনদত থকা 'সাহিত্য' (Literature) শব্দটোৱেই পাশ্চাত্য অৰ্থাৎ ইংৰাজী সাহিত্যৰ কথা বুজাইছে। সেয়েহে পশ্চিমীয়া জ্ঞান-বিজ্ঞানৰ বিস্তাৰ আৰু উন্নতি কৰাটোৱেই যদি শিক্ষাৰ লক্ষ্য হয় তেন্তে ইংৰাজী ভাষাৰ মাধ্যমেৰে ভাৰতত পশ্চিমীয়া শিক্ষা বিস্তাৰ কৰিব লাগিব। ইংৰাজীৰ সাপেক্ষে যুক্তি দৰ্শাই মেকলেই কৈছিল যে চনদত থকা শিক্ষিত ভাৰতীয় (learned native) শব্দ দুটাই সেই সকলো ভাৰতীয়কে বুজাইছে যিসকলে লকৰ দৰ্শন আৰু মিল্টনৰ কবিতা বুজি পায়। অৰ্থাৎ পশ্চিমীয়া সাহিত্যৰ লগত পৰিচিত। তেওঁৰ মতে ইংৰাজীয়েই এক মাত্ৰ ভাষা যিটোক ভাৰতত শিক্ষাৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰিব পাৰি। ইংৰাজী ভাষাক মাধ্যম কৰাৰ কিছুমান অন্যান্য সুবিধা আছে। ইংৰাজী হল শাসক সকলৰ ভাষা। ই প্ৰাচ্য জগতৰ বাণিজ্যৰ ভাষা। ইংৰাজী ভাষাই দেশৰ জনগণক ঐক্যবদ্ধ কৰিব পাৰিব। ইতিমধ্যে ভাৰতৰ বেছি সংখ্যক মানুহে ইংৰাজী ভাষাক আকোৱালি লৈছে। ইয়াৰ প্ৰমাণ হিচাপে তেওঁ দেখুৱাই দিছিল যে ভাৰতীয় ভাষাৰ কিতাপবোৰৰ তুলনাত

মহাজাৰ ঔষধৰ কিতাপ বিক্ৰী হোৱা নাছিল। অথচ ইংৰাজী ভাষাৰ সাহিত্যৰ কিতাপবোৰ হাজাৰ হাজাৰ বিক্ৰী হৈ-আছিল। সেয়েহে তেওঁৰ মতে ভাৰতবৰ্ষত শিক্ষাৰ মাধ্যম ইং-ৰাজী হ'ব লাগে।

শিক্ষা পৰিচালনাৰ ক্ষেত্ৰত লৰ্ড মেকলেই স্পষ্টকৈ নিজৰ মতামত প্ৰকাশ কৰিছিলে। অৰ্থাৎ কোম্পানীয়ে শিক্ষাৰ দায়িত্ব লবলৈ তেওঁ পৰোক্ষভাৱে সমৰ্থন জনালে।

ভাৰতত শিক্ষা বিস্তাৰৰ বাবে কি নীতি অৱলম্বন কৰিব সেই সম্পৰ্কত মেকলেই পৰোক্ষ নীতিক সমৰ্থন জনালে অৰ্থাৎ শিক্ষা সকলোকে নিদি বাছি বাছি কিছুমান ওপৰৰ শ্ৰেণীৰ লোকৰ ল'ৰা-ছোৱালীকহে দিয়াৰ চৰকাৰে ব্যৱস্থা কৰিব আৰু তেওঁলোকৰ দ্বাৰা জনসাধাৰণলৈ শিক্ষা নিগৰি পৰিব। ফিল্টাৰত পানী চালিলে যিদৰে পৰিষ্কাৰ পানী নিগৰি ওলাই পৰে তেনেদৰে শিক্ষাও ওপৰৰ শ্ৰেণীৰ লোকৰপৰা সৰ্বসাধাৰণ লোকলৈ বিয়পি পৰিব। ইয়াকে নিম্ন পৰিস্ৰাৱণ নীতি বোলা হয়। সেয়েহে লৰ্ড মেকলেই তেওঁৰ সবল যুক্তিৰ দ্বাৰা ভাৰতত পাশ্চাত্য শিক্ষা প্ৰৱৰ্তন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি শিক্ষাৰ সৃষ্টি বিতৰ্কমূলক দিশ কেইটা সিদ্ধান্ত গ্ৰহণ কৰে।

লৰ্ড মেকলেৰ পৰামৰ্শ আৰু প্ৰস্তাৱসমূহ সেই সময়ৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড উইলিয়াম বেণ্টিংকে সমৰ্থন কৰি 1835 চনৰ 7 মাৰ্চত ভাৰতৰ চৰকাৰী শিক্ষা নীতি ঘোষণা কৰে। 30 Aug

---x---